**প্ৰেছ বাৰ্তা নং ঃ ২২/২০২৩**

<u>নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৫ তম বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ</u>

# জনসাধাৰণৰ সামাজিক-সাংস্কৃতিক, শৈক্ষিক সৱলীকৰণৰ দিশত এবছুৱে বৃহৎ ভূমিকা গ্ৰহণ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰৌতাত অনুষ্ঠিত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৫ তম বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ সামাজিক-সাংস্কৃতিক, শৈক্ষিক সৱলীকৰণৰ দিশত এবছুৱে বৃহৎ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে অসমৰ বৰ্ণাঢ্য সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈছে সমৃদ্ধ ইতিহাস আৰু বৰ্ণিল লোকজীৱনৰ অধিকাৰী বড়ো জনজাতি। বড়ো জনজাতিৰ বৰ্ণাঢ্য সংস্কৃতিয়ে সদায়ে আমাক মুগ্ধ কৰি আহিছে। কামৰূপ, প্ৰাগজ্যোতিষপুৰ আৰু পিছলৈ অসম নামেৰে জনজাত ঐতিহাসিক বিশাল ভূখণ্ডত বড়োসকলৰ কেইবাশ বছৰীয়া ইতিহাস ঠাহ খাই আছে। এক কৰ্মঠ জনগোষ্ঠী হিচাপে পৰিচিত বড়োসকলৰ গতিশীল চেতনাই অসমীয়া জাতিৰ প্ৰাণ সঞ্জীৱিত কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেইবাগৰাকী পুৰোধা ব্যক্তিৰ কৰ্ম আৰু জীৱন দৰ্শনে বড়ো জাতিক সদায়ে প্ৰেৰণা যোগাই আহিছে। তেওঁ কয় যে প্ৰবাদ পুৰুষ কালিচৰণ ব্ৰহ্মই সংস্কাৰমূলক কাম-কাজেৰে বড়ো সমাজত শিক্ষা আৰু ৰাজনৈতিক চেতনা জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল। বড়োসকলৰ সামাজিক, ভাষিক, শৈক্ষিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি দিশৰ উত্তৰণৰ বাবে প্ৰয়াত ৰূপনাথ ব্ৰহ্ম, সতীশ চন্দ্ৰ বসুমতাৰী, ধৰণীধৰ বসুমতাৰী, চৰণ নাৰ্জাৰী, প্ৰমোদ চন্দ্ৰ ব্ৰহ্ম আদি প্ৰাতস্মৰণীয় মনীষীসকলৰ অৱদান অতুলনীয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বড়ো জনজাতিৰ আত্মপ্ৰতিষ্ঠাৰ লগতে আৰ্থ-সামাজিক, ৰাজনৈতিক উত্তৰণত মুখ্য ভূমিকা লোৱা সংগঠনসমূহৰ অন্যতম হৈছে নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)। ভৈয়ামৰ জনজাতিসকলৰ জনসংখ্যা বিশেষকৈ বড়োসকলে ভৈয়ামৰ জনজাতিসকলৰ সংগ্ৰামক প্ৰতিনিধিত্ব কৰাৰ বাবে দীৰ্ঘকালজুৰি যি অভাৱ অনুভৱ কৰি আহিছিল সেয়া পূৰণ কৰিছিল এবছুৰ জন্মই। তেওঁ কয় যে এটা দায়িত্বশীল আৰু গৌৰবান্বিত বড়ো জাতিৰ পুনৰুত্থান আৰু বড়োকে ধৰি অন্যান ভৈয়াম জনজাতিৰ গৌৰৱময় অগ্ৰগামী যাত্ৰাত এবছুৰ জন্ম আছিল এক ঐতিহাসিক আৰু যুগান্তকাৰী সিদ্ধান্ত। ঐক্য, অস্তিত্ব আৰু সমৃদ্ধিৰ মূলমন্ত্ৰ অনুসৰণ কৰি বড়ো ছাত্ৰ-ছাত্ৰীসকলক একত্ৰিত কৰি উন্নত আৰু পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত মহান বড়োজাতিৰ অৰ্থনীতি, শিক্ষা, সংস্কৃতি, পৰম্পৰা, ভাষা আৰু সাহিত্যক আগুৱাই নিয়াৰ যাত্ৰাত এবছুৰ নেতৃত্বই সোণসেৰীয়া খোজ পেলাইছিল। মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল বড়ো জনজাতিৰে নহয়, ৰাজ্যৰ সমগ্ৰ জনজাতীয় সমাজত এবছুৱে এক মৰ্যাদাপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছে। অঞ্চলটোত সামাজিক-ৰাজনৈতিক জীৱনৰ সম্প্ৰতি এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। নিপীড়িতৰ বাবে ন্যায়, পিছপৰা লোকৰ

মৰ্যাদা, সকলোৰে বাবে শান্তি প্ৰতিষ্ঠাৰ যাত্ৰাত বিগত পাঁচ দশকৰো অধিক কাল এবছুৱে আপোচবিহীন স্থিতি গ্ৰহণ কৰি জনসাধাৰণৰ কাষত থিয় দিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৬৭ চনৰ পৰা ১৯৮৬ চনলৈকে এবছুৱে বড়ো যুৱক-যুৱতীসকলক সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক উন্নয়নৰ বাবে সংগঠিত কৰাৰ উপৰি বড়ো আৰু অন্যান্য খিলঞ্জীয়া সম্প্ৰদায়ৰ ৰাজনৈতিক সংগ্ৰামৰ বাবেও এক সবল ভিত্তি গঢ়াৰ দিশত কাম কৰিছিল। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মক নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্ব দিয়াৰে পৰা এবছুৱে অধিক গতিশীলতা লাভ কৰে। নিজৰ সকলো ব্যক্তিগত উচ্চাকাংক্ষা ত্যাগ কৰি বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মই জনজাতীয় ৰাজনৈতিক আন্দোলনক এক নতুন গতি দিছিল। ১৯৯৩ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখটো বড়ো জাতিৰ আত্ম প্ৰতিষ্ঠাৰ সংগ্ৰামৰ এক ঐতিহাসিক দিন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই দিনটোতে বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ গঠনৰ বাবে  প্ৰথম বড়ো চুক্তি স্বাক্ষৰ হৈছিল। বড়োলেণ্ড এলেকাৰ স্থায়ী শান্তি ঘূৰাই অনাৰ সুযোগ, শান্তিপূৰ্ণ উপায়েৰে বড়োলেণ্ড সমস্যা সমাধানৰ সম্ভাৱনা, সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰসাৰ, দ্ৰুত আৰ্থ-সামাজিক বিকাশৰ স্বাৰ্থত এবছুৰ নেতৃত্বই বি এল টি আৰু ভাৰত চৰকাৰৰ মাজত হোৱা শান্তি আলোচনাত সমৰ্থন আগবঢ়াইছিল। বড়ো ভূমিত শিক্ষা প্ৰসাৰৰ দিশতো এবছুৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দ্বিতীয়খন বড়ো চুক্তিত ভাৰত চৰকাৰে বড়ো ভাষা সংবিধানৰ অষ্টম অনুসূচিত অন্তৰ্ভূক্ত কৰাৰ বিপৰীতে তৃতীয়খন বড়ো চুক্তিৰ অধীনত দেৱনাগৰী লিপিৰে বড়ো ভাষাক ৰাজ্যৰ সহযোগী চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই অঞ্চলটোত চিৰস্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে যি ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে তাৰ ফলত বড়ো জাতীয় জীৱনৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত পৰিৱৰ্তনৰ নতুন জোৱাৰৰ আগমন ঘটিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ তৎপৰতাত বিটিআৰ চুক্তি স্বাক্ষৰৰ জৰিয়তে অঞ্চলটোত তিনি দশকজোৰা অস্থিৰতাৰ অৱসানৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া ৰাইজে সদায় মনত  ৰাখিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বড়ো যুৱ প্ৰজন্মৰ হৃদয়ত উৎসাহ-অগ্নি প্ৰজ্বলিত কৰিবলৈ এবছুৱে কাম কৰিব লাগিব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে দক্ষতা সম্পন্ন মানৱ সম্পদ গঢ়ি ৰাজ্যখনৰ যুৱ প্ৰজন্মক উত্তৰণৰ অংশীদাৰ হ'ব লাগিব  বুলিও কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰে যুৱ প্ৰজন্মৰ বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথাও আলোকপাত কৰে।

আজিৰ এই অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহল, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, এবছুৰ সভাপতি দ্বিপেন বড়ো, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দ্ৰ ডেকা, বড়ো কছাৰী কল্যাণ স্বায়ত্ত শাসিত  পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মিহিশ্বৰ বসুমতাৰী প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**২৯/১/২০২৩**